# পুনৰুত্থানৰ ৰাতিপুৱা যীচু মৃত্যুৰ পৰা জী উঠিল আৰু অনন্ত কাললৈ জীয়াই থাকিব

**তলত দিয়া যিকোনো ল'ৰা-ছোৱালীয়ে শিকিবলগীয়া কাম-কাজ বাচি লওক।**

ল'ৰা-ছোৱালীক এইখন ছবি আঁকিবলৈ অথবা ৰং কৰিবলৈ দিয়ক।



**শিক্ষক অথবা এগৰাকী ডাঙৰ ল'ৰা / ছোৱালীয়ে** যীচু মৃত্যুৰ পৰা জী উঠা কাহিনীটো ক'বলৈ অথবা পঢ়িবলৈ দিয়ক। মাৰ্ক ১৫ঃ১-১৬ঃ৮। কেনেকৈ যীচুৰ মৃত্যু হৈছিল, মৈদামত দিয়া আৰু তিনি দিনৰ পিছত জী উঠিল - ইয়াত তাকে কোৱা হৈছে।

কাহিনী কোৱাৰ পিছত, এই প্ৰশ্নবোৰ সোধক। প্ৰতিটো প্ৰশ্নৰ পিছতে উত্তৰবোৰ আছে।

যেতিয়া তেওঁ মৰিল আৰু পুনৰ জী উঠিল, তেতিয়া আমাৰ কাৰণে যীচুৱে কি কৰিলে? (যীচুৰ তেজে আমাৰ পাপবোৰ ঢাকে আৰু তেওঁত বিশ্বাস কৰা সকলোকে তেওঁৰ পুনৰুত্থানে জীৱন দিয়ে।)

পিলাতে যীচুক কি বুলি মাতিছিল? *(যিহূদীবিলাকৰ ৰজা, মাৰ্ক ১৫ঃ২)*

সৈন্যবিলাকে যীচুক কেনেদৰে ব্যৱহাৰ কৰিছিল? *(মাৰ্ক ১৫ঃ১৭-১৯)*

তেওঁৰ মূৰৰ ওপৰত কি জাননী লিখা আছিল? *(যোহন ১৯ঃ২৬)*

মৃত্যুৰ আগেয়ে যীচুৱে কি বুলি চিঞৰিছিল? *(মাৰ্ক ১৫ঃ৩৪)*

আৰিমথিয়াৰ যোচেফে কি কৰিলে? *(মাৰ্ক ১৫ঃ৪৩-৪৬)*

মৈদামৰ মুখত কি খোৱা হৈছিল? *(মাৰ্ক ১৫ঃ৪৬)*

মৈদামলৈ কোনে গৈ তাক খালি পাইছিল? *(মাৰ্ক ১৬ঃ১)*

**পুনৰুত্থানৰ কাহিনীৰ কিছু অংশ নাটক কৰক।**

উপাসনাৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰি ল'ৰা-ছোৱালীৰ নাটকখন পৰিবেশন কৰিবলৈ দিয়ক।

ইয়াক প্ৰেকটিচ্ কৰাত ল'ৰা-ছোৱালীৰ লগত আপোনাৰ সময় ব্যৱহাৰ কৰক।

কিছু অংশ আপুনি বাদ দিব পাৰে, অথবা বাইবেলৰ পদবোৰৰ পৰা অধিক যোগ দিবও পাৰে।

প্ৰস্তুত কৰোঁতে ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।

ডাঙৰ ল'ৰা / ছোৱালী অথবা বয়সীয়া সকলক এই অংশৰ ভাওবোৰ ল'বলৈ দিয়ক!

**বৰ্ণনাকাৰী ঃ** কাহিনীটো কওক। কি ক'ব লাগে মনত পেলোৱাত ল'ৰা-ছোৱালীক সহায় কৰক।

**সৈন্যবিলাক ঃ** চাবুক, কাঁইটৰ কিৰীটি আৰু হলৌ চোলা বুজোৱা বস্তু যুগুত কৰক।

**পুৰোহিত**

**যীচু**

**পীলাত**

**যোচেফ ঃ** এখন কাপোৰ যুগুত কৰক।

**সৰু ল'ৰা-ছোৱালীক** এইবোৰ ভাও দিয়কঃ

**তিৰোতাবিলাক ঃ** সুগন্ধি দ্ৰব্য বুজাবলৈ বটলবোৰ যুগুত কৰক।

**মানুহৰ জাক**

**স্বৰ্গদূত**

পুনৰুত্থানৰ নাটকখন তিনিটা ভাগত ভাগ কৰি পৰিবেশন কৰকঃ

## প্ৰথম ভাগ (মাৰ্ক ১৫ঃ১-২০)

**বৰ্ণনাকাৰী ঃ** পঢ়ক অথবা মুখস্থ কওক, প্ৰথম ভাগ - মাৰ্ক ১৫ঃ১-২০। ঘোষণা কৰি কওঁক, "শুনক, পুৰোহিতে কি কৈছে।"

**পুৰোহিত ঃ** "মহাশয়, এই মানুহে আমাৰ বিধান লঙ্ঘন কৰিলে। সি মৃত্যুদণ্ড পোৱা যোগ্য।"

**পীলাত ঃ** "যীচু, আপুনি যিহূদীসকলৰ ৰজানে?"

**যীচু ঃ** "হয়।"

**পীলাত ঃ** আচৰিত হোৱা দেখা যায়। "মই, এই মানুহত একো দোষ নাপাওঁ। হে লোকসমূহ, মই তেওঁক মুকলি ৰি দিয়া তোমালোকৰ ইচ্ছানে?"

**লোকসমূহ ঃ** খঙেৰে চিঞৰে, "বাৰববাক এৰি দিয়ক! যীচুক ক্ৰুচত দিয়ক!"

**পীলাত ঃ** "সৈন্যবিলাক, তেওঁক লৈ যোৱা ক্ৰুচত দিয়াগৈ!"

**সৈন্যবিলাক ঃ** যীচুক চাবুকেৰে কোবোৱা যেন দেখুৱায়। এটা হলৌ চোলা আৰু কাঁইটৰ কিৰীটি পিন্ধায়। ঠাট্টা কৰি কয়, "যিহূদীবিলাকৰ ৰজাৰ জয় হওক!" "এইয়া তোমাৰ ৰাজবস্ত্ৰ!" "এইয়া তোমাৰ ক্ৰুচ! কঢ়িয়াই নিয়া!"

## দ্বিতীয় ভাগ (মাৰ্ক ১৫ঃ২২-৪৭)

**বৰ্ণনাকাৰী ঃ** (মাৰ্ক ১৫ঃ২২-৪৭) পঢ়ক অথবা কওক। বৰ্ণনাকাৰীয়ে কৈ যাওঁতে যীচুৱে গধুৰ ক্ৰুচ ববলৈ মূৰ কৰি কোঠাটোৰ চাৰিওফালে ঘূৰে। কৰ্ণনাকাৰীজনে কথা কোৱা বন্ধ কৰিলে, সৈন্যবিলাকে ক্ৰুচডাল মাটিত নমোৱা যেন দেখুৱায়।

**বৰ্ণনাকাৰী ঃ** এতিয়া কোৱা, "সৈন্যবিলাকে কি কৈছে, শুনক।"

**সৈন্যবিলাক ঃ** যীচুক ক্ৰুচত দিয়া যেন দেখুৱায়। আৰু কয়, "আহাঁ, তেওঁৰ কাপোৰৰ বাবে আমি চিঠি খেলোঁ।" (যীচুক দাঙি ধৰি, ক্ৰুচত গজাল মৰা যেন দেখুৱায়। তেওঁক চকীত বহুৱায় আৰু হাত দুখন দুফালে মেলি ধৰে।)

**লোকসমূহ ঃ** "চোৱাহঁক! সেই চিনটোৱে কয় যে যীচু এজন ৰজা।" "বাৰু, যীচু আপুনি নিজকে ৰক্ষা কৰক!"

**পুৰোহিত ঃ** "যীচু, তোমাৰ ক্ষমতা দেখুওৱা! ক্ৰুচৰ পৰা নামি আহাঁ!"

**যীচু ঃ** ডাঙৰ মাতেৰে চিঞৰি, "হে মোৰ প্ৰভু, তুমি মোক কিয় পৰিত্যাগ কৰিলা?"

**তিৰোতাসকল ঃ** "অহ! এইয়ে হ'ব নোৱাৰে। যীচু মৰিল।"

## তৃতীয় ভাগ (মাৰ্ক ১৬ঃ১-৮)

**বৰ্ণনাকাৰী ঃ** (মাৰ্ক ১৬ঃ১-৮) কাহিনীটোৰ তৃতীয় ভাগ কওঁক।

কওঁক, “যোচেফ কি কয় শুনক।”

**যোচেফ ঃ** “হে মহামহিম পীলাত, যীচুৰ দেহ মোক দিয়ক, মই মৈদাম দিম।” (মহিলা কেইগৰাকীয়ে চাই থাকে।) যীচুৰ দেহটো ক্ৰুচৰ পৰা লৈ, কাপোৰেৰে মেৰিয়ায় আৰু কবৰত থয় (এখন টেবুলৰ তলত) কবৰৰ মুখত এটা শিল (এখন চকী) দি বন্ধ কৰে।

**বৰ্ণনাকাৰী ঃ** “তৃতীয় দিনা এক আচৰিত ঘটনা ঘটিল।” শিলটো আঁতৰি গ’ল। যীচু উঠিল আৰু এফলীয়াকৈ খোজ কাঢ়ে।

**তিৰোতাসকল ঃ** তেওঁলোকে সুগন্ধি দ্ৰব্য লৈ মৈদামলৈ যায়। চকুপানী মচি মচি কয়, “কোনে বাৰু গধূৰ শিলচটা আঁতৰাই দিব।” “চোৱাহঁক! শিলচটা আঁতৰিল!” “চোৱাচোন! ইয়াতে এগৰাকী স্বৰ্গদূত ৰৈ আছে!”

**স্বৰ্গদূত ঃ** “যীচু জীৱিত হ’ল! যোৱা তেওঁৰ শিষ্যসকলক কোৱাগৈ!”

**বৰ্ণনাকাৰী ঃ** নাটক পৰিবেশন কৰা হ’লে ল’ৰা-ছোৱালীবিলাকক ধন্যবাদ দিব।

যীচু মৰি পুনৰায় জী উঠি আমালৈ কি কৰিলে ল’ৰা-ছোৱালীয়ে বয়সীয়া সকলক প্ৰশ্ন কৰক। যীচুৰ তেজে আমাৰ পাপবোৰ ঢাকে আৰু তেওঁত কিশ্বাস কৰা সকলো লোককে তেওঁৰ পুনৰুত্থানৰ জীৱন দিয়ে - এই উত্তৰবোৰ থকা উচিত।

কেইজন মান ল’ৰা-ছোৱালীয়ে যীচু ক্ৰুচত থকা আৰু কেইজনমানক যীচুৰ মৈদামৰ বাহিৰত জীৱিত যীচু ৰৈ থকা ছবি আঁকিবলৈ দিয়ক। এই ছবিবোৰ ল’ৰা-ছোৱালীয়ে বয়সীয়া সকলক উপাসনা সময়ত দেখুৱাব পাৰে আৰু বুজাব যে এই ছবিয়ে যীচু আমাৰ নিমিত্তে মৃত্যু হোৱা আৰু আমাক জীৱন দিবলৈ তৃতীয় দিনা পুনৰ জী উঠাকে বুজায়।

**মুখস্থ কৰক ঃ** ১ পিতৰ ১ঃ৩

**পদ্য ঃ** গীতমালা ২১ঃ১-৪ পদকেইটা চাৰি গৰাকী ল’ৰা-ছোৱালীক একোটাকৈ পদ মুখস্থ কৰি দিব। যীচুৰ পুনৰুত্থানৰ পদ্য ডাঙৰ ল’ৰা-ছোৱালীক লিখিবলৈ দিব পাৰে।

প্ৰাৰ্থনা ঃ “প্ৰিয় প্ৰভু, আজি আমি আপোনাৰ মৃত্যু আৰু পুনৰুত্থান সোঁৱৰিছোঁ। আপোনাৰ মৃত্যুৰ দ্বাৰা আমাৰ পাপ ক্ষমা পালোঁ। আপোনাৰ পুনৰুত্থানে আমাক জীৱন দিয়ে। আমি আপোনাৰ প্ৰশংসা কৰোঁ।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.